জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬০/২০২০

# বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিক মণি পুৰকায়স্থৰ  বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ ডিচেম্বৰ ঃ** বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিক মণি পুৰকায়স্থৰ  বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত মণি পুৰকায়স্থই আমাৰ সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল তাক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী ৰাজনৈতিক নেতা হিচাপে তেখেতে সাংগঠনিক দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে সমাজ জীৱনলৈ বিশিষ্ট বৰঙনি আগবঢ়াই গৈছে। ডিমৰীয়া কলেজৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত পুৰকায়স্থই অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। এইগৰাকী বিশিষ্ট সমাজৰ্মীৰ বিয়োগ আমাৰ সমাজ  জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মণি পুৰকায়স্থৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৭/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in